**NSD NEWS UNIT**

AKASHVANI :: GUWAHATI

0000000000

**Date :** 17-04-2024
**Time :** 19-10 Hrs

## Assamese Evening Bulletin

:::::::::::::::::::::::::::::::::

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আগৰতলাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

২। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে কয় যে আই এন ডি আই মিত্ৰজোট সংবিধান আৰু গণতন্ত্ৰৰ সুৰক্ষা দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

৩। চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।

৪। ৰামনৱমী উপলক্ষে আজি দিনৰ ১২ বাজি ১৬ মিনিটত অযোধ্যাৰ ৰাম মন্দিৰৰ ৰাম ললাৰ মূৰ্তিৰ কপালত সূৰ্য্য তিলক স্থাপন কৰা হয়। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কিছুসময়ৰ পাছত গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ত্ৰিপুৰাত কংগ্ৰেছ আৰু কমিউনিষ্ট দলৰ আই এন ডি আই মিত্ৰজোটক সমালোচনা কৰি কয় যে, দক্ষিণৰ ৰাজ্য কেৰালাত দুয়োটা দলেই পৰস্পৰৰ শত্ৰু। পশ্চিম ত্ৰিপুৰা আৰু পূৰ ত্ৰিপুৰা আসনত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীৰ হ'কে আগৰতলাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয় যে, কংগ্ৰেছৰ যুৱৰাজে উত্তৰ প্ৰদেশৰ এটা সংসদীয় সমষ্টিত পৰাভূত হোৱাৰ পাছত তেওঁৰ গৌৰৱ উদ্ধাৰ কৰাৰ উদ্দেশ্যে কেৰালালৈ যায়। বিজেপিয়ে ভ্ৰষ্টাচাৰৰ বিৰোধিতা কৰাৰ বিপৰীতে কংগ্ৰেছে ভ্ৰষ্টাচাৰৰ হকে কাম কৰে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। কংগ্ৰেছ-কমিউনিষ্ট দলক সুবিধাবাদী আখ্যা দি তেওঁ কয় যে, দুয়োটা দলেই পূৰক শোষণ কৰা লক্ষ্যৰে কাম কৰি আছিল। কিন্তু বিজেপি নেতৃত্বাধীন চৰকাৰ ক্ষমতালৈ অহাৰ পাছত তেওঁলোকৰ পূৰক শোষণ কৰা নীতিয়ে দিশ হেৰুৱাইছে। বিজেপি সমৰ্থিত প্ৰাৰ্থীসকলক ভোট দিবলৈ ৰাজ্যবাসীলৈ আহ্বান জনায় তেঁও কয় যে, কেন্দ্ৰীয় চৰকাৰে ত্ৰিপুৰাৰ উন্নয়নৰ বাবে অবিৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ লগতে ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়নত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। ৰাজ্যখনৰ দুৰ্গম প্ৰান্তৰ পৰা অহা লোকসকলক উদ্দেশ্যি তেওঁ কয় যে তেওঁ ৫০ বাৰকৈ উত্তৰ-পূৰ ভ্ৰমণ কৰিছে। কিষাণ সন্মান নিধিৰ জৰিয়তে ত্ৰিপুৰাৰ আঢ়ৈ লাখ কৃষকৰ

একাউণ্টলৈ পোনপতীয়াকৈ ধন পঠিওৱা হৈছে  বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যখনৰ ৩ লাখতকৈ অধিক মহিলাই ৰন্ধন গেছৰ সংযোগ লাভ কৰিছে। বিগত ১০ বছৰত বিজেপিয়ে কৰা কাম-কাজসমূহ কেৱল এটা নমুনাহে বুলি উল্লেখ কৰি তেওঁ কয় যে, সংকল্পপাত্ৰ শীৰ্ষক দলীয় ইস্তাহাৰে ৰাজ্যখনৰ বাবে সমৃদ্ধি কঢ়িয়াই আনিব।

০০০০

কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী আৰু সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ য়াদৱে আজি গাজিয়াবাদত এখন যুটীয়া সংবাদমেলক সম্বোধন কৰে। সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি ৰাহুল গান্ধীয়ে এয়া ভাৱাদৰ্শৰ নিৰ্বাচন বুলি উল্লেখ কৰি কয় যে, আই এন ডি আই মিত্ৰজোট সংবিধান আৰু গণতন্ত্ৰৰ সুৰক্ষা দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। লোকসভা নিৰ্বাচনৰ পাছত মিত্ৰজোটৰ চৰকাৰ হ'ব বুলি দাবী কৰি তেঁও কয় যে এই চৰকাৰে দৰিদ্ৰ মহিলাসকলক এক লাখ টকা সাহায্য আগবঢ়োৱাৰ লগতে নিবনুৱাসকললৈ সৰ্বাধিক নিয়োগৰ সুবিধা আগবঢ়োৱাৰ লক্ষ্য লৈছে। কৃষকসকলক উপকৃত কৰাৰ উদ্দেশ্যে এম এছ পি অৰ্থাৎ ন্যূনতম সমৰ্থন মূল্য ৰূপায়ণ কৰা হ'ব বুলি উল্লেখ কৰি তেঁও কয় যে প্ৰশ্নকাকত ফাদিল হোৱাৰ সমস্যা সমাধান কৰাৰ বাবে আইন প্ৰনয়ণ কৰা হ'ব। সমাজৰ উন্নয়নৰ বাবে জাতিপিয়লৰ প্ৰয়োজন বুলিও তেওঁ মত প্ৰকাশ কৰে। ইপিনে, সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ য়াদৱে কয় যে, এইবেলি নিৰ্বাচনে দেশৰ ৰাজনীতিত নতুন দিশ সৃষ্টি কৰিব। তেওঁ জনসাধাৰণলৈ ভোট বিভাজন নকৰিবলৈ অনুৰোধ জনায়।

০০০০

চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এইটো পৰ্যায়ত অহা ১৩ মে'ত দেশৰ ৯ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬ টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰ সমান্তৰালকৈ অন্ধ্ৰপ্ৰদেশৰ ১৭৫ খন আসনৰ বাবে হবলগীয়া একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচন আৰু উড়িশাৰ ২৮ টা সমষ্টিৰ বাবে হবলগীয়া প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবেও অধিসূচনা জাৰি কৰা হ'ব। অহা শুকুৰবাৰে লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ অন্ত পৰিব। এই পৰ্যায়ত অহা ৭ মে'ত ১০ খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪ খন সংসদীয় আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০

অসমত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰে। প্ৰথম পৰ্যায়ত ৫ খন আসনৰ বাবে ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিছে। আটাইকেইখন আসনতে বিজেপি আৰু বিৰোধী ঐক্যমঞ্চৰ মাজত মূল প্ৰতিদ্বন্দিতা হ'ব বুলি অনুমান কৰা হৈছে। এই পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা আৰু কামাখ্যা প্ৰসাদ তাছাৰ উপৰি কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈৰ লগতে অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। ভোটগ্ৰহণ কেন্দ্ৰৰ বিষয়াসকল কাইলৈ পুৱাৰ ভাগত ই ভি এম আৰু অন্যান্য সামগ্ৰীসহ ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ ৰাওনা হ'ব।

০০০০

ৰামনৱমী উপলক্ষে আজি দিনৰ ১২ বাজি ১৬ মিনিটত অযোধ্যাৰ ৰাম মন্দিৰৰ ৰাম ললাৰ মূৰ্তিৰ কপালত সূৰ্য্য তিলক প্ৰজ্বলিত কৰা হয়। আইনা আৰু লেন্স ব্যৱহাৰ কৰি এটা বিশেষ পদ্ধতিৰ জৰিয়তে সূৰ্য্য তিলক প্ৰজ্বলিত কৰা হৈছে। অযোধ্যাৰ ৰাম মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা হোৱাৰ পাছৰে পৰা এইবেলি প্ৰথমবাৰৰ বাবে ৰামনৱমী উদযাপিত হৈছে।  উল্লেখযোগ্য যে যোৱা ২২ জানুৱাৰীত আয়োজিত ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা উৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিশেষভাৱে অংশগ্ৰহণ কৰিছে। আজি পুৱাৰ ভাগৰে পৰা ভগৱান ৰামৰ

দৰ্শনৰ বাবে ভক্তৰ ভিৰ পৰিলক্ষিত হয়। ৰামৰ জন্ম উৎসৱ উপলক্ষে আজি সমগ্ৰ মহানগৰখনত উৎসাহ উদ্দীপনা পৰিলক্ষিত হয়। মন্দিৰ সমিতি তথা চৰকাৰে কেইবাখনো আধুনিক পৰ্দাত অযোধ্যা মন্দিৰৰ চৌদিশে হোৱা উদযাপনৰ মুহুৰ্ত প্ৰদৰ্শনৰ ব্যৱস্থা কৰে।

০০০০

পশ্চিম বংগৰ বিভিন্ন প্ৰান্তত কটকটীয়া নিৰাপত্তা বেষ্টনিৰ মাজত আজি ৰাম নৱমী উৎসৱ পালন কৰা হয়। এই উপলক্ষে বিভিন্ন ধৰ্মীয় সংস্থাই পূজা তথা ধৰ্মীয় সমদলৰ আয়োজন কৰে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে সামাজিক মাধ্যমৰ জৰিয়তে ৰাজ্যবাসীলৈ ৰাম নৱমী উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে। ইয়াৰ সমান্তৰালকৈ তেওঁ ৰাজ্যবাসীলৈ শান্তি শৃংখলা বজাই ৰাখিবলৈ আহ্বান জনায়। ৰাজ্য  চৰকাৰে আজি পশ্চিমবংগত ৰাম নৱমী উপলক্ষে বন্ধ ঘোষণা কৰিছে। ৰাজ্যপাল চি ৱি আনন্দ বসুৱে কলকাতাৰ দহিঘাটৰ ৰাম মন্দিৰত পূজা অৰ্চনা কৰাৰ লগতে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰে দক্ষিণ দিনাজপুৰৰ বিভিন্ন প্ৰান্তত ৰাম নৱমী পূজা আৰু সমদলত অংশগ্ৰহণ কৰে। আনহাতে, বিৰোধী নেতা সুভেন্দু অধিকাৰীয়ে নিউ টাউনত ৰাম নৱমী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে পূজা-অৰ্চনা কৰে।

০০০০

কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি কংগ্ৰেছ প্ৰাৰ্থী ইমৰাণ মাছুদৰ হৈ ছাহাৰানপুৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

কংগ্ৰেছ নেত্ৰীগৰাকীয়ে কয় যে দেশে ক্ষমতাক নহয় সত্যক পূজা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কটাক্ষ কৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰীগৰাকীয়ে সত্যক নহয় ক্ষমতাকহে পূজা কৰে। বিজেপি চৰকাৰে সদায় ধনী লোকৰ বাবে কাম কৰি আহিছে আৰু দুখীয়া লোকে একো লাভ কৰা নাই বুলি প্ৰিয়ংকা গান্ধীয়ে উল্লেখ কৰে। তেওঁ কয়, বিজেপিয়ে নিৰ্বাচনী বণ্ড আঁচনি আনিছিল আৰু এই তালিকাৰ নাম গোপনীয় কৰি ৰাখিব বিচাৰিছিল যদিও উচ্চতম ন্যায়ালয়ে নাম প্ৰকাশৰ নিৰ্দেশ দিয়াৰ বাবে বিজেপিৰ গোপন কথা পোহৰলৈ আহে। ছাহাৰানপুৰৰ জনতাৰ কাঠৰ ব্যৱসায় মোডী চৰকাৰৰ বাবে স্তব্ধ হৈছে বুলিও শ্ৰীমতী গান্ধীয়ে কয়। উল্লেখযোগ্য যে ছাহাৰণপুৰত অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন উত্তেজনাপূৰ্ণ খেলত ৰাজস্থান ৰয়েলছে কলকাতা নাইট ৰাইডাৰ্ছক ২ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি কলকাতাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৬টা উইকেট হেৰুৱাই ২২৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ সুনীল নাৰিনে ৫৬টা বলত ১০৯ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ আবেশ খান আৰু কুলদ্বীপ সিঙে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে জছ্ বাটলাৰৰ অপৰাজিত শতকৰ সহায়েৰে ইনিংছৰ অন্তিমটো বলত বিজয় লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ ৰিয়ান পৰাগে ১৪টা বলত ৩৪ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ হৰ্ষিত ৰাণা, সুনীল নাৰিন আৰু বৰুণ চক্ৰৱৰ্তীয়ে দুটাকৈ উইকেট দখল কৰে। খেলখনত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে জছ বাটলাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

কালিৰ খেলৰ অন্তত ৰাজস্থান ৰয়েলছ্ সম্প্ৰতি ১২ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষস্থানত থকাৰ বিপৰীতে ৮ পইণ্ট আৰু উন্নত নেট ৰান ৰেটৰ ভিত্তিত কলকাতাৰ দলটো দ্বিতীয় স্থানত আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ